# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-10-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
## *Headlines*

- - - - - - - - - - - - - - - -

১। অসমীয়াকে ধৰি আন চাৰিটা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন।

২। নতুন দিল্লীত অনুষ্ঠিত কৌটিল্য অৰ্থনৈতিক বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

৩। প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন।

৪। ৯ অক্টোবৰৰ পৰা পবিতৰা অভয়াৰণ্য পৰ্যটকৰ বাবে মুকলি।

**আৰু**

৫। শ্বাৰজাহত আজি মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত-নিউজিলেণ্ডৰ খেল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে অসমীয়া, মাৰাঠী, পালী, প্ৰাকৃত আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক সমূহ অসমবাসীৰ হৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছে।

(বাইট মুখ্যমন্ত্ৰী)

তেওঁ কয় যে প্ৰাচীন কামৰূপ তথা বৰ অসমৰ সভ্যতা সংস্কৃতিৰ এই শিপাডালে আমাক আজি পুনৰবাৰ সমৃদ্ধ কৰিলে। এই সিদ্ধান্তৰ দ্বাৰা অসমীয়া ভাষাক জগতসভালৈ লৈ যাবলৈ আমি সমৰ্থ হ'ম বুলি তেওঁ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে তামিল, সংস্কৃত, তেলেগু, কানাড়া, মালায়ালয়ম আৰু ওড়িয়া ধ্ৰুপদী ভাষাৰ তালিকাত সন্নিবিষ্ট আছিল।

অসমীয়া ভাষাত ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ পাছতে অসম গণ পৰিষদে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জনাইছে। অসমীয়া ভাষাক জগতসভালৈ লৈ যোৱাৰ ক্ষেত্ৰত যিসকল মহান মণিষীয়ে অহোপুৰুষাৰ্থ কৰিছিল, তেওঁলোকক অগপৰ সভাপতি অতুল বৰাই সশ্ৰদ্ধ প্ৰণিপাত জনায়। লগতে বৰাই অসমীয়া ভাষাত এই অলংকাৰ পৰিধান কৰাৰ পাছত প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু দায়বদ্ধতা বাঢ়িল বুলিও উল্লেখ কৰে। জাতি আৰু ভাষাটিৰ উন্নয়নৰ হকে প্ৰতিজন অসমীয়াকে তেওঁ একেলগ হৈ কাম কৰিবলৈ আহ্বান জনায়।

আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাত অসমৰ জনসাধাৰণ গৌৰৱান্বিত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। অসমীয়া ভাষাৰ কাণ্ডাৰী, গৱেষক আৰু সাধকসকলৰ সাধনাৰ বাবে এই প্ৰাপ্তি সম্ভৱ হ'ল বুলি উল্লেখ কৰি আছুৰ নেতাগৰাকীয়ে ভাষা আৰু মাধ্যম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ এই ঐতিহাসিক মুহূৰ্তত অসমীয়া ভাষা সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে সংকল্প ল'বলৈ সকলোলৈ আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তত আনন্দ প্ৰকাশ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা বিভা ভৰালীয়ে এইদৰে কয় –

(বাইট)

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ৬ অক্টোবৰলৈ নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া কৌটিল্য অৰ্থনৈতিক বৈঠকত অংশগ্ৰহণ কৰিব। এইবাৰৰ সন্মিলনে সেউজ পৰিৱৰ্তনৰ বিনিয়োগ, ভূ-অৰ্থনৈতিক বিভাজন, বিকাশ তথা স্থিতিস্থাপকতা আৰু সংৰক্ষণৰ বাবে নীতিগত পদক্ষেপ আদিৰ দৰে বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ সমিতি তথা নীতি নিৰ্ধাৰণকাৰী উভয়ে ভাৰতীয় অৰ্থনীতি

আৰু গোলকীয় অৰ্থনীতিৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰিব। এই অৰ্থনৈতিক সন্মিলন বিত্ত মন্ত্ৰালয়ৰ অংশীদাৰিত্বত অৰ্থনৈতিক বিকাশ প্ৰতিষ্ঠানৰ দ্বাৰা আয়োজন কৰা হৈছে।

০০০০০০০

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে আজি আৰু কাইলৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ ২১ খন জিলাত ৩৯ খন সম-জিলা উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে ধুবুৰী জিলাৰ বিলাসীপাৰা, গোলকগঞ্জ, বঙাইগাঁৱৰ অভয়াপুৰী, কামৰূপ জিলাৰ ৰঙিয়া , নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালী, লখিমপুৰ জিলাৰ ঢকুৱাখনা, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। আনহাতে, তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব।

ইফালে, শিৱসাগৰৰ নাজিৰা আৰু ডিমৌ, যোৰহাটৰ তিতাবৰ, গোলাঘাট জিলাৰ বোকাখাত, সৰুপথাৰ আৰু দেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰাও সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰাৰ লগতে দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁৱক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাট আৰু হোজাই জিলাৰ লামডিঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে। ঢেকীয়াজুলিৰ লগতে জিলাখনৰ ন-দুৱাৰকো সম-জিলাৰ আখ্যা দিয়া হৈছে। আনহাতে, ডিব্ৰুগড় জিলাৰ খোৱাং, দুলীয়াজান আৰু টিংখঙক সম-জিলাৰ স্বীকৃতি দিয়া হৈছে।

চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দক্ষতা, নিয়োগ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰত আজি দুখন সম-জিলা উদ্বোধন কৰিব। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত আজি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি মিচিং স্বায়ত্ত শাসিত পৰিষদৰ বাবে সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ আৰু পৰিষদৰ আসন্ন নিৰ্বাচনৰ বিষয়ে অনা মিচিং সুৰক্ষা সমিতি আৰু বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বৰ সৈতে আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত এম এ চি গাঁও অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ২০০৫ চনত জাৰি কৰা অধিসূচনাৰ সংশোধন আৰু পৰিষদৰ মিচিং জনবসতি নথকা গাঁওসমূহ বাদ দিয়া হ'ব বুলি উল্লেখ কৰে। তদুপৰি মিচিং আৰু অনামিচিং উভয় সম্প্ৰদায়ৰ জনবসতি থকা গাঁৱৰ ক্ষেত্ৰত মিচিং জনবসতি থকা অংশহে এম এ চিত অন্তৰ্ভুক্ত কৰোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। মিচিং জনবসতি নথকা কোনো নতুন গাঁও পৰিষদত অন্তৰ্ভুক্ত নহয় বুলি উল্লেখ কৰাৰ লগতে প্ৰতিনিধিসকলে উত্থাপন কৰা অন্যান্য সমস্যাবোৰৰো দ্ৰুত সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৈঠকত ধেমাজি জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰধান সচিব উপস্থিত থাকে।

০০০০০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত অহা ৯ অক্টোবৰত ২০২৪ আৰু ২০২৫ পৰ্যটন বৰ্ষৰ বাবে মুকলি কৰা হ'ব। বন বিভাগৰ সূত্ৰ অনুসৰি যোৱা বৰ্ষত পবিতৰা অভয়াৰণ্যত দেশী-বিদেশী পৰ্যটকৰ পৰা অভয়াৰণ্য কৰ্তৃপক্ষই প্ৰায় ৮০ লাখ টকা ৰাজহ সংগ্ৰহ কৰিছিল। এই বৰ্ষত বন বিভাগে আৰু অধিক পৰ্যটক সমাগম হোৱাৰ লগতে অধিক ৰাজহ সংগ্ৰহ হ'ব বুলিও আশা ব্যক্ত কৰিছে।

০০০০০০০

ৰাজ্যজুৰি ভাৰতীয় জনতা পাৰ্টীৰ সদস্যভৰ্তি অভিযান ২০২৪ অব্যাহত আছে। ৰাজ্যৰ ৮১টা সমষ্টিত ৪০ হাজাৰতকৈ অধিক সদস্যভৰ্তি অভিযান বিজেপিয়ে সম্পূৰ্ণ কৰিছে। ৪০ হাজাৰ সদস্য সম্পূৰ্ণ কৰা বিজেপিৰ এই তালিকাত ৬টা সমষ্টি বৰপেটা, নাওবৈচা, গোৱালপাৰা পশ্চিম, মাকুম, টংলা, দেৰগাঁৱত নতুনকৈ অন্তৰ্ভুক্ত হৈছে। অসম প্ৰদেশ বিজেপিয়ে ৫৫ দশমিক ৬ লাখ নতুন সদস্যভৰ্তিৰে লক্ষ্যত ৯০ শতাংশ অতিক্ৰম কৰা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত নতুন হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। এই ক্ষেত্ৰত যিসকল পৰিয়ালৰ বছৰি আয় ৪ লাখতকৈ কম আৰু কোনো চৰকাৰী ঠিকাভিত্তিক বা নিয়মীয়া চাকৰিয়াল নহয় অথবা পঞ্চায়ত আৰু পৌৰসভাৰ সদস্য নহয় তেওঁলোকে ৰেচন কাৰ্ডৰ বাবে যাৱতীয় নথিসহ আবেদন কৰিব পাৰিব। কোনো উপযুক্ত লোক যাতে ইয়াৰ পৰা বঞ্চিত নহয় সেইটো নিশ্চিত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে ইতিমধ্যে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিছে।

০০০০০০০

চিৰাং জিলা সত্ৰ ন্যায়াধীশ আদালতে কালি অন্ধবিশ্বাসৰ কবলত পৰি ডাইনী সন্দেহত হত্যাকাণ্ড সংঘটিত কৰা ছজন অভিযুক্তৰ বিৰুদ্ধে দৃষ্টান্তমূলক ৰায় প্ৰদান কৰে। জিলাখনৰ ভাৰত-ভূটান এলেকাৰ দশিনগাঁৱৰ এজন নিৰীহ লোকক ডাইনী সন্দেহত হত্যা কৰাৰ অপৰাধত দুগৰাকী মহিলাসহ মুঠ ছজন লোকক যাৱজ্জীৱন কাৰাদণ্ড বিহা হয়।

0000000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

0000000

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে বন্যপ্ৰাণী সপ্তাহ ২০২৪ উদযাপনৰ অংশ হিচাপে দিনজোৰা কাৰ্যসূচীৰে কালি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিষ্ঠানটোৰ বিজ্ঞানী, বিষয়া আৰু অন্যান্য সহায়ক-কৰ্মচাৰীসকলে কালি পুৱা পক্ষী নিৰীক্ষণ কৰে। তেওঁলোকে প্ৰতিষ্ঠানটোৰ চৌহদত প্ৰায় ২৯টা বিভিন্ন প্ৰজাতিৰ চৰাই প্ৰত্যক্ষ কৰে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আদিও অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি বেচৰকাৰী অনুষ্ঠানক আৰণ্যকৰ জ্যেষ্ঠ প্ৰবন্ধক ড০ দীপাংকৰ লহকৰে ভাৰতত পৰিস্থিতি বিজ্ঞান, বাঘৰ জীৱ বিজ্ঞান আৰু ইয়াৰ সংৰক্ষণৰ ইতিহাসৰ সৈতে সংগতি ৰাখি বক্তব্য প্ৰদান কৰে। তেওঁ মানস ৰাষ্ট্ৰীয় উদ্যানৰ নৃতাত্বিক চাপৰ বিষয়েও আলোকপাত কৰে।

0000000

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি ডুবাইত হৰমন প্ৰীত কৌৰ নেতৃত্বত নিজৰ প্ৰথমখন খেলত ছফী ডিভাইন নেতৃত্বাধীন নিউজিলেণ্ডৰ মুখামুখি হ'ব। আনহাতে, আজি বিয়লি হ'বলগীয়া আন এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আকাশবাণীয়ে হিন্দী আৰু ইংৰাজীত এই খেলৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে।

0000000

অসমৰ বিত্তীয় সংকটৰ জোৰা মাৰিবৰ বাবে ঋণ, বিভিন্ন মাছুল আৰু কৰ বৃদ্ধিৰে ৰাইজক মাধমাৰ দিয়া প্ৰসংগত **দৈনিক অসম** কাকতে এটা মুখ্য বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতখনে বিগত ২২ টা দিনত চৰকাৰে দুহেজাৰ ২৫০ কোটি টকাৰ ঋণ লোৱা বুলি তথ্য সন্নিবিষ্ট বাতৰিটো প্ৰকাশ কৰে।

উচ্চ ন্যায়ালয়ে ৰাজ্যত সকলো ধৰণৰ অনলাইন আৰু অফলাইন লটাৰী নিষিদ্ধ ঘোষণা কৰা সন্দৰ্ভত এটি বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক প্ৰদান কৰা ধ্ৰুপদী ভাষাৰ স্বীকৃতি সন্দৰ্ভত গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে বাতৰিটোৰ লগতে বিষয়টো সন্দৰ্ভত বিভিন্ন ব্যক্তিৰ মন্তব্যও সন্নিবিষ্ট কৰিছে। **দৈনিক জনমভূমি** কাকতে ভাৰত ভ্ৰমণলৈ যোৱা বজালী আৰু বাক্সা জিলাৰ ৪৯ গৰাকী তীৰ্থযাত্ৰী দ্বাৰকাত আবদ্ধ হৈ থকাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া খবৰ** কাকতে ২০১৮ চনত চিৰাং জিলাত সংঘটিত ডাইনী সন্দেহত হত্যাৰ ঘটনাত অভিযুক্ত ছজন লোকক ন্যায়ালয়ৰ যাৱজ্জীৱন কাৰাদণ্ড ঘোষণাৰ বাতৰি এটাক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে স্থান দিছে। 'ৰাজ্য চৰকাৰে নিলাম কৰিব বণ্ড, ৮ অক্টোবৰত অসম চৰকাৰে পুনৰ ল'ব ৭৫০ কোটিৰ ঋণ' শিৰোনামেৰে এটি বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে **অসমীয়া প্ৰতিদিন** কাকতে। ইজৰাইলে কেন্দ্ৰীয় বিৰাটত কালি নিশা সংঘটিত কৰা আক্ৰমণৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। যোৰহাট-মাজুলী দলং নিৰ্মাণৰ প্ৰসংগত কেন্দ্ৰীয় পথ আৰু পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে ব্যক্তিগতভাৱে গুৰুত্ব প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীক প্ৰদান কৰা প্ৰতিশ্ৰুতি সন্দৰ্ভত এটি বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। ধৰ্ষণ আৰু বিবাহ সম্পৰ্কীয় বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ স্থিতি সন্দৰ্ভত এটি বাতৰি **দা টাইমছ্ অৱ্ ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – চৰকাৰী নিষেধাজ্ঞা সত্বেও ৰাজ্যৰ বিভিন্ন স্থানত নিৰ্মাণ হৈছে পূজা মণ্ডপ, তোৰণ, স্মাৰ্ট মিটাৰৰ পাছত ৰাজ্যত আৰম্ভ স্মাৰ্ট গৃহ নম্বৰৰ বিতৰ্ক, মধ্যাহ্ন ভোজনৰ ধন ওভতাই দিবলৈ

বিদ্যালয়সমূহলৈ শিক্ষা বিভাগৰ নিৰ্দেশনাৰ পাছত ৰাজ্যজুৰি প্ৰতিক্ৰিয়া, ১৮ বছৰৰ পাছত অযোগ্য ঘোষণা - অসম আৰক্ষীৰ ১৭ গৰাকী পৰিদৰ্শকে হেৰুৱাব চাকৰি। ড° নগেন শইকীয়ালৈ ডিব্ৰুগড় ৰত্ন সন্মান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

সমাপ্ত